জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪০১/২০২০

দিহিং-পাটকাইক লৈ ৰাজহুৱা স্বাৰ্থজড়িত আৱেদন

## অন্তৰ্বৰ্তীকালীন নিৰ্দেশনা জাৰি নকৰিলে গুৱাহাটী উচ্চ ন্যায়ালয়ে

## জুলাই মাহত পৰৱৰ্তী দিন নিৰ্দ্ধাৰণ কৰিলে ন্যায়ালয়ে

**দিছপুৰ, ৪ জুনঃ** গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ আদালতে আজি দিহিং-পাটকাইক লৈ দাখিল কৰা ৰাজহুৱা স্বাৰ্থজড়িত আবেদনখন গ্ৰহণ কৰি পৰৱৰ্তী তাৰিখ নিৰ্দ্ধাৰণ কৰে। আদালতে বিভাগসমূহক যাৱতীয় নথি-পত্ৰ দাখিল কৰাৰ বাবেও নিৰ্দেশ জাৰি কৰিছে।

উল্লেখযোগ্য যে দিহিং-পাটকাইক লৈ গুৱাহাটী উচ্চ ন্যায়ালয়ত দুখন আৱেদন দাখিল কৰা হৈছিল। দুয়োখন আবেদনক আজি একেলগে গ্ৰহণ কৰি মুখ্য ন্যায়াধীশৰ খণ্ড আদালতে অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰক দিহিং-পাটকাইৰ সকলো নথিপত্ৰ জমা দিবলৈ নিৰ্দেশ জাৰি কৰি এই গোচৰটোত কোনোধৰণৰ অন্তৰ্বৰ্তীকালীন নিৰ্দেশনা দিয়াৰ পৰা বিৰত থাকে। উল্লেখযোগ্য যে আৱেদনকাৰীৰ অধিবক্তাই দিহিং-পাটকাইত চলি থকা খনন স্থগিত কৰাৰ বাবে নিৰ্দেশ বিচাৰি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ওচৰত আৱেদন দাখিল কৰিছিল যদিও চৰকাৰী অধিবক্তাই কয় যে দিহিং পাটকাইত কোনোধৰণৰ খনন বৰ্তমান চলা নাই। সেইবাবে স্থগিতকৰণ অথবা অন্তৰ্বৰ্তীকালীন নিৰ্দেশ দিয়াৰ প্ৰয়োজন নাই।

গুৱাহাটী উচ্চ ন্যায়ালয়ে দুয়ো পক্ষৰে যুক্তি গ্ৰহণ কৰি এই গোচৰটো জুলাই মাহত পুনৰ গ্ৰহণ কৰা হ'ব বুলি নিৰ্দেশ জাৰি কৰে।

**পুঃডেঃ**
**৪/৬/২০২০**